**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ১২৬/২০২০**

# জ্যেষ্ঠ সাংবাদিক ত্ৰৈলক্য ভাগৱতীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২২ মাৰ্চ ঃ** জ্যেষ্ঠ সাংবাদিক ত্ৰৈলক্য ভাগৱতীৰ বিয়োগত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক শোকবাৰ্তা যোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰয়াত ভাগৱতীয়ে সুদীৰ্ঘ সময় ধৰি সংবাদ জগতৰ লগত জড়িত থাকি যি অৰিহণা আগবঢ়াই গৈছে সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। গুৱাহাটী প্ৰেছ ক্লাৱকে ধৰি সংবাদিক সন্থাৰ সৈতে জড়িত থাকি অসমৰ সংবাদ জগতখনক অধিক আগুৱাই নিয়াৰ বাবে প্ৰয়াত ভাগৱতীয়ে নিৰলস প্ৰয়াস চলাই গৈছে। তেখেতৰ বিয়োগ আমাৰ সমাজ জীৱন তথা সংবাদ ক্ষেত্ৰৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ভাগৱতীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, জ্যেষ্ঠ সাংবাদিক ত্ৰৈলক্য ভাগৱতীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক শোকবাৰ্তা যোগে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে কয় যে প্ৰয়াত ভাগৱতীয়ে অসমৰ সংবাদ জগতলৈ যি সেৱা আগবঢ়াই গ'ল সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। তেখেতৰ বিয়োগ আমাৰ সংবাদ তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে কয়।

মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে প্ৰয়াত ত্ৰৈলক্য ভাগৱতীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**২২/০৩/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in